**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-01-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::**

০০০০

সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৪ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি শিল্পী দিৱস হিচাপে পালন কৰা হৈছে। ১৯৫১ চনৰ আজিৰ দিনটোতে সব্যসাচী শিল্পীগৰাকীৰ দেহাৱসান ঘটিছিল। সমগ্ৰ অসমবাসীয়ে এই দিনটোক প্ৰতিবছৰে শিল্পী দিৱস হিচাপে পালন কৰি আহিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ সোঁৱৰণত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত গোলাঘাটত এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে বিশিষ্ট সংগীত শিল্পী ড° অনিমা চৌধুৰী আৰু মুকুল ৰাভাক চলিত বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। বিগত বৰ্ষৰ সন্মানীয় নটসূৰ্য্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ, সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা প্ৰবীন অভিনেত্ৰী হীৰা নেওগলৈ আৰু জননেতা ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মলৈ আগবঢ়োৱা হব। এই অনুষ্ঠানত বিত্ত, মহিলা আৰু শিশু কল্যান মন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যাপ্ৰসাদ তাচাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

একেদৰে, সদৌ অসম ছাত্ৰ সন্থাই হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কাকী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত কালিৰে পৰা দুদিনীয়াকৈ হোজাইত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কালি প্ৰথম দিনা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটা আৱক্ষ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে জিলাভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা, সদৌ অসম ভিত্তিক মুকলি কুইজ আৰু জ্যোতি সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। নিশাৰ ভাগত নাট্যানুষ্ঠানত ৰূপকোঁৱৰৰ কালজয়ী নাট ৰূপালীম পৰিবেশন কৰা হয়। আজিৰ অনুষ্ঠানত কেইবাগৰাকীও শিল্পীক সম্বৰ্ধনা জনোৱাৰ উপৰি মুকলি সভা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

যোৰহাট সাংস্কৃতিক মঞ্চৰ উদ্যোগত জিলা পুথিভঁৰালত আজি শিল্পী দিৱসৰ কাৰ্যসূচী লোৱা হৈছে।

নলবাৰী জিলাৰ কৰিয়া বিজুলীঘাটৰ বিহগী কবি ৰঘুনাথ চৌধাৰী শিশু উদ্যানতো শিল্পী দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে কৰিয়া সংগীত বিদ্যালয়ৰ সৌজন্যত জ্যোতি সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০

ৰাজ্য চৰকাৰে মহিলা উদ্যমিতা আঁচনিৰ অধীনত ২ হাজাৰ কোটি টকাৰ অনুমোদন জনাইছে। এই আঁচনিৰ অধীনত মহিলাসকলক তিনিটা পৰ্যায়ত ঋণ আৰু ৰাজ সাহায্য প্ৰদান কৰা হ'ব। কালি মৰিগাঁৱত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ লগতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ৭৫ হাজাৰ যুৱক-যুৱতীলৈ ৰাজ সাহায্যযুক্ত ঋণ প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰে। মন্ত্ৰীসভাৰ বৈঠকত বিটিআৰৰ উন্নয়নৰ বাবে ৪০১ কোটি টকাৰ পুঁজিৰ অনুমোদন জনোৱা হয়। অংগনৱাড়ী কেন্দ্ৰৰ সঠিক কাৰ্যকৰীকৰণৰ বাবে অংগনৱাড়ী কেন্দ্ৰ ব্যৱস্থাপনা সমিতি গঠনৰ নিৰ্দেশনাতো মন্ত্ৰীসভাই কালি অনুমোদন দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে উমৰাংছ'ৰ তিন কিল' কয়লাখনিত সংঘটিত দুৰ্ঘটনা সন্দৰ্ভত তদন্ত কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এখন ন্যায়িক তদন্ত আয়োগ গঠন কৰিব বুলি ঘোষণা কৰে। ড° শৰ্মাই কয়, যে কয়লাখনিত নিহত ৪ জন শ্ৰমিকৰ নিকটাত্মীয়লৈ ১০ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব। সন্ধেদ নোপোৱা আন ৫ জন শ্ৰমিকৰ পৰিয়ালৰলৈও ১০ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত ৰেট হোল খননৰ সন্দৰ্ভত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপৰ বাবে নিৰ্দেশনা যুগুত কৰা হ'ব।

ইপিনে, ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত মৰিগাঁও জিলাৰ উন্নয়নৰ বাবে বহুকেইটা প্ৰকল্পত অনুমোদন জনোৱা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মৰিগাঁও জিলাৰ উন্নয়ন আৰু বিকাশৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত ২৯২ কোটি

টকাৰ প্ৰকল্পৰ অনুমোদন জনায়। জোনবিল মেলাৰ স্থানত মঞ্চ নিৰ্মাণৰ বাবে ৫ কোটি টকা, মৰিগাঁৱৰ নতুন আৱৰ্ত ভৱন নিৰ্মাণৰ বাবে ১৫ কোটি টকা, তিৱা সাহিত্য সভা ভৱন নিৰ্মাণৰ বাবে ১ কোটি টকা আগবঢ়াবলৈ বৈঠকত সিদ্ধান্ত লোৱা হয়। জিলাখনৰ শতবৰ্ষ গৰকা ৯ খন বিদ্যালয়ৰ উন্নয়নৰ বাবে ৮ কোটি টকাকৈ আগবঢ়াবলৈও বৈঠকত সিদ্ধান্ত লোৱা হয়।

০০০০

মহাৰাষ্ট্ৰৰ ধুলে জিলাৰ পানখেৰা গাঁৱত অনুষ্ঠিত হোৱা ৩২ সংখ্যক খিলঞ্জীয়া একতা সাংস্কৃতিক মহাসন্মিলনত মৰাণ জনগোষ্ঠীয় ২৬জনীয়া এটা সাংস্কৃতিক দলে অংশগ্ৰহণ কৰি বহু দৰ্শকক আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ১৩ জানুৱাৰীৰ পৰা ১৫ জানুৱাৰীলৈ অনুষ্ঠিত হোৱা এই সমাৰোহত মৰাণ জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান আৰু জনজাতীয় আহিঁৰ ঘৰ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত দলটোৱে মৰাণ বিহু, কুলাবুঢ়ী নাচৰ লগতে সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰে। এই সাংস্কৃতিক মহাসন্মিলনৰ অনুষ্ঠানত ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগতে ইৰাণ, নিউজিলেণ্ড, আমেৰিকা আদি দেশৰ পৰাও প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ তত্বাৱধানত এই সাংস্কৃতিক দলটোৱে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০

তিনিচুকীয়া আৰক্ষীয়ে যোৱা নিশা ড্ৰাগছ বিৰোধী অভিযান চলাই নিষিদ্ধ ড্ৰাগছসহ তিনিজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। তিনিচুকীয়া জিলা আৰক্ষীৰ নেতৃত্বত চলা এই অভিযানত হিজুগুৰিৰ এখন হোটেলত অভিযান চলাই ৪৩ গ্ৰাম সন্দেহজনক ড্ৰাগছসহ দুজনক আটক কৰে। আটকাধীন লোক দুজন ডিব্ৰুগড় জিলাৰ বিতু গোঁহাই আৰু নাটে একাকা বুলি আৰক্ষীয়ে সদৰি কৰিছে। তিনিচুকীয়া থানা চাৰিআলিতো আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ আন এজনক আটক কৰে।

০০০০

সমাপ্ত